**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000
Date : 06-02-2026

**Time :** 1715 Hrs.

***Assamese Midday Bulletin***

**HEADLINE**

ooooo

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ পৰীক্ষা পে চৰ্চা অনুষ্ঠানৰ নৱম সংস্কৰণত দেশৰ বিভিন্ন প্ৰান্তৰ শিক্ষাৰ্থীৰ সৈতে মত বিনিময়।

২। হাটশিঙিমাৰীৰ মানকাচৰ পথত প্ৰশাসনৰ উচ্ছেদ অভিযান।

৩। ৰাভা হাচং স্বায়ত্ত শাসিত পৰিষদৰ উদ্যোগত আজিৰে পৰা তিনিদিনীয়াকৈ ৰাভা-হাছং সাংস্কৃতিক সমাৰোহ। ***আৰু***

৪। জিম্বাবুৱেৰ হাৰাৰেত অনুষ্ঠিত ১৯ বছৰ অনুৰ্ধ এদিনীয়া বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেলত ইংলেণ্ডৰ বিৰুদ্ধে ভাৰতৰ ৪১২ ৰানৰ লক্ষ্য নিৰ্ধাৰণ।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি পৰীক্ষা পে চৰ্চা অনুষ্ঠানৰ নৱম সংস্কৰণত দেশৰ বিভিন্ন প্ৰান্তৰ শিক্ষাৰ্থীৰ সৈতে মত বিনিময় কৰে। এইবাৰৰ সংস্কৰণত প্ৰধানমন্ত্ৰীয়ে পৰীক্ষাৰ সময়ত কিদৰে মানসিক চাপৰ পৰা মুক্ত হৈ থাকিব পাৰি সেই সন্দৰ্ভত শিক্ষাৰ্থীসকলৰ সৈতে মত বিনিময় কৰে। প্ৰধানমন্ত্ৰীগৰাকীয়ে শিক্ষাৰ্থীসকলক তেওঁলোকৰ নিজস্ব শিকন পদ্ধতিৰ ওপৰত আস্থা ৰাখিবলৈ পৰামৰ্শ দি কয়, যে কোনো দুজন ব্যক্তিৰ চিন্তা-ধাৰা কেতিয়াও একে হ'ব নোৱাৰে। তেওঁ কয়, যে প্ৰতিগৰাকী শিক্ষাৰ্থীৰে পঢ়াৰ এটা নিৰ্দিষ্ট শৈলী থাকে আৰু তেওঁলোকে পৰীক্ষাৰ বাবে নিজৰ প্ৰস্তুতিৰ ওপৰত সম্পূৰ্ণ আস্থা ৰাখিব লাগে। শিক্ষাৰ্থীসকলে লগতে শিক্ষক আৰু অভিভাৱকসকলে দিয়া পৰামৰ্শসমূহ ভালদৰে অনুধাৱন কৰিব লাগে বুলি প্ৰধানমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। তেওঁ লগতে শিক্ষাৰ্থীসকলে অন্ধভাৱে আনক অনুকৰণ কৰাৰ পৰিৱৰ্তে নিজৰ অভিজ্ঞতা আৰু জ্ঞানেৰে যিকোনো পৰামৰ্শ গ্ৰহণ কৰিব লাগে বুলি উল্লেখ কৰে। শ্ৰীমোদীয়ে শিক্ষকসকলক প্ৰতিগৰাকী শিক্ষাৰ্থীৰ শিকন ক্ষমতা সন্দৰ্ভত সংবেদনশীল হ'বলৈ পৰামৰ্শ আগবঢ়ায়। উল্লেখযোগ্য যে এইবেলি উত্তৰ গুৱাহাটী ছোৱালী হাইস্কুলৰ নৱম শ্ৰেণীৰ ছাত্ৰী এগৰাকীয়েও এই কাৰ্যসূচীত অংশগ্ৰহণ কৰি প্ৰধানমন্ত্ৰীৰ সৈতে মত-বিনিময় কৰাৰ সুযোগ লাভ কৰে। প্ৰধানমন্ত্ৰী মোদীৰ এই অনুষ্ঠানত অংশ গ্ৰহণ কৰি অৰ্পিতা দাস নামৰ ছাত্ৰীগৰাকীয়ে এনেদৰে কয়ঃ

বাইট ঃ অৰ্পিতা দাস-ছাত্ৰী

ooooo

হাটশিঙিমাৰীৰ মানকাচৰ পথত উচ্ছেদ অভিযান আজিও অব্যাহত আছে। এই পথটো নতুনকৈ নিৰ্মাণ কৰাৰ বাবে চলোৱা প্ৰস্তুতিৰ অংশ হিচাপে জিলা প্ৰশাসনে এই উচ্ছেদ অভিযান বাহাল ৰাখিছে। কালি আৰম্ভ

হোৱা উচ্ছেদ অভিযানৰ পাছত অধিকাংশ ব্যৱসায়ী আৰু জনসাধাৰণে স্বেচ্ছাই চৰকাৰী ভূমি দখলমুক্ত কৰা পৰিলক্ষিত হয়। অসমমালা আঁচনিৰ থ্ৰী-পইণ্ট-জিৰোৰ অধীনত আবণ্টিত ধনেৰে এই পথছোৱা নিৰ্মাণ কৰা হ'ব। মানকাচৰ ৰাজহ চক্ৰ বিষয়াগৰাকীয়ে ৰাস্তাটোৰ দুয়োপাৰে ৯৯ ফুট এলেকাৰ ভিতৰত কোনো ধৰণৰ স্থায়ী নিৰ্মাণকাৰ্য নকৰিবলৈ জনসাধাৰণক আহ্বান জনায়।

ooooo

ৰাভা হাচং স্বায়ত্ত শাসিত পৰিষদৰ উদ্যোগত গোৱালপাৰা জিলাৰ মাকৰিৰ ৰেন্দু পেন্দু পাহাৰত আজিৰে পৰা তিনিদিনীয়াকৈ ৰাভা-হাছং সাংস্কৃতিক সমাৰোহ অনুষ্ঠিত হৈছে। এই সমাৰোহৰ জৰিয়তে ৰাভা জনগোষ্ঠীৰ উপৰি বড়ো, গাৰো, নেপালী, হাজং, ৰাজবংশী আদি জনগোষ্ঠীৰ কলা-কৃষ্টিসমূহ বিশ্ব দৰবাৰত প্ৰতিষ্ঠা কৰাৰ প্ৰয়াস কৰা হৈছে। ৰিছি পূজাৰ জৰিয়তে কাৰ্যসূচী শুভাৰম্ভ কৰা হয়। ইয়াৰ পাছতে ছহিদ তৰ্পন, অতিথিশালা উদ্বোধন, প্ৰদৰ্শনীৰ দ্বাৰ মুকলি, খাদ্য মেলাৰ দ্বাৰ মুকলি আদি কাৰ্যসূচীও ৰূপায়ণ কৰা হয়। বিয়লি এই সমাৰোহৰ মুকলি সভাত মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাই অংশগ্ৰহণ কৰি সাংস্কৃতিক সমাৰোহ উদ্বোধন কৰে। মুকলি সভাৰ আৰম্ভণিতে ২০০ গৰাকী যুৱক-যুৱতীৰ ৰাভা জনগোষ্ঠীৰ ছাথাৰ নৃত্য পৰিবেশন কৰে। বিগত ৫ বছৰে ৰাভা হাছং স্বায়ত্ত পৰিষদে এই সাংস্কৃতিক সমাৰোহৰ আয়োজন কৰি ৰাভা জনগোষ্ঠীৰ লগতে বড়ো, গাড়ো, নেপালী, হাজং, ৰাজবংশী আদি জাতি জনগোষ্ঠীৰ কলা সংস্কৃতি বিশ্বৰ দৰবাৰত প্ৰতিষ্ঠা কৰাৰ চেষ্টা চলাই আহিছে। অনুষ্ঠানত অংশ গ্ৰহণ কৰি ৰাজ্য চৰকাৰৰ মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাই এইদৰে কয়ঃ

বাইট

ooooo

সদৌ বড়ো ছাত্ৰ সন্থাৰ ৫৮ সংখ্যক প্ৰতিনিধি অধিৱেশনত আজি আবছুৰ দ্বাৰা পৰিচালিত নৱম আৰু দশম শ্ৰেণীৰ কেন্দ্ৰীয় প্ৰতিভা অনুসন্ধান পৰীক্ষাৰ বিজয়ীসকলক সম্বৰ্ধনা জনোৱা হয়। অনুষ্ঠানত অংশগ্ৰহণ কৰি শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে বড়ো সম্প্ৰদায়ৰ ছাত্ৰ-ছাত্ৰীৰ শৈক্ষিক আৰু সামগ্ৰিক চিন্তা-চৰ্চাৰ সমাধানৰ ক্ষেত্ৰত এবছুৱে গ্ৰহণ কৰি অহা সক্ৰিয় ভূমিকাৰ শলাগ লয়। শিক্ষা মন্ত্ৰগৰাকীয়ে ৰাষ্ট্ৰীয় শিক্ষানীতি-২০২০ৰ অধীনত ছাত্ৰ-ছাত্ৰীৰ দক্ষতাভিত্তিক শিক্ষণ আৰু শিক্ষাক প্ৰসাৰিত কৰাৰ বিষয়ত বক্তব্য আগবঢ়ায়।

ooooo

তামুলপুৰ জিলাৰ দৰঙা মেলাত আজি আৰক্ষী আৰু সীমান্ত সুৰক্ষা বাহিনীয়ে যুটীয়া অভিযান চলাই প্ৰায় ৭ কিলোগ্ৰাম গাঞ্জাসহ এজন সৰবৰাহকাৰীক আটক কৰে। উল্লেখযোগ্য যে, ৬৪ নম্বৰ বাহিনী এছ্ এছ্ বি আৰু শুকানজুলি কেম্পৰ পৰা লাভ কৰা তথ্যৰ ভিত্তিত আজি হাতীডুবা অঞ্চলত এই তালাচী অভিযান চলোৱা হৈছিল। আটক কৰা লোকজন কুমাৰীকাটাৰ পলাশবাৰী গাঁৱৰ ৰাইচন মণ্ডল বুলি চিনাক্ত কৰা হৈছে। আৰক্ষী সূত্ৰৰ উদ্ধৃতি দি আমাৰ সংবাদদাতাই জনাইছে যে, ধৃত মণ্ডলৰ পৰা মুঠ ছহেজাৰ ৯৭০ কিলোগ্ৰাম ওজনৰ সন্দেহযুক্ত গাঞ্জা জব্দ কৰা হৈছে। ধৃত মণ্ডলৰ বিৰুদ্ধে এন ডি পি এছ আইনৰ অধীনত গোচৰ ৰুজু কৰি পৰৱৰ্তী আইনী ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

ooooo

ভাৰত ভুটান সীমান্তৰ সুৰক্ষাৰ লগতে জন-কল্যাণমূলক কামত সদায় অগ্ৰণী ভূমিকা পালন কৰি অহা ৬৪ নম্বৰ বাহিনী এছ্ এছ্ বি, বৰমা হাউলীৰ উদ্যোগত আজি এটা বিনামূলীয়া পশু চিকিৎসা শিবিৰ অনুষ্ঠিত হয়।

নাগৰিক কল্যাণ কাৰ্য্যসূচীৰ অধীনত সীমান্ত চকী পাটকীজুলিৰ অন্তৰ্গত খৈৰানী গাঁৱত এই শিৱিৰটো অনুষ্ঠিত কৰা হয়। শিৱিৰটোত অঞ্চলটোৰ বিভিন্ন প্ৰান্তৰ প্ৰায় ১০০ টা অসুস্থ পশুক উন্নত চিকিৎসা আগবঢ়োৱাৰ লগতে পশুপালকসকলক বিনামূলীয়া ঔষদ বিতৰণ কৰা হয়। ইয়াৰ উপৰি বিশেষজ্ঞ চিকিৎসকে পশুপালনৰ সঠিক পদ্ধতি, ৰোগ প্ৰতিৰোধৰ উপায় আৰু উন্নত প্ৰজনন সন্দৰ্ভত স্থানীয় মাধ্যমক পৰামৰ্শ আগবঢ়ায়।

00000

দক্ষিণ শালমাৰা-মানকাচৰ জিলা বিজেপিৰ কাৰ্য্যালয়ত আজি কেন্দ্ৰীয় চৰকাৰৰ বাজেটৰ বিষয়ে এখন সংবাদমেল অনুষ্ঠিত কৰা হয়। জিলা বিজেপিৰ উপ-সভাপতি মনজিৰুল হাছানে সংবাদমেলখন সম্বোধন কৰি কেন্দ্ৰীয় চৰকাৰৰ বাজেটক উন্নয়নমুখী, জনকল্যাণমূলক আৰু ভৱিষ্যৎমুখী বুলি অভিহিত কৰে। এইবাৰৰ বাজেটত কৃষক, যুৱক, মহিলা, দৰিদ্ৰ আৰু মধ্যবিত্ত শ্ৰেণীক বিশেষ গুৰুত্ব দিয়া হৈছে বুলি উল্লেখ কৰি তেওঁ শিক্ষা, স্বাস্থ্য, কৃষি, গ্ৰামোন্নয়ন, পৰ্য্যটন আৰু আত্ম-নিৰ্ভৰ ভাৰত গঢ়াৰ দিশত এই বাজেটে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব বুলি কয়। সংবাদমেলখনত জিলা সভাপতি ৰঞ্জিত কুমাৰ সাহাৰ লগতে কেইবাগৰাকীও নেতা-কৰ্মী উপস্থিত আছিল।

00000

বিধানসভা নিৰ্বাচন সমাগত। ৰাজনৈতিক দলসমূহৰ মাজত  নিৰ্বাচন কেন্দ্ৰীক তৎপৰতা বৃদ্ধি পাইছে। ৰাজ্যৰ নিৰ্বাচনী আলেখ-লেখ সম্পৰ্কত আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে কাইলৈ নিশা ৮ বাজি ২ মিনিটত প্ৰথমটো দৃষ্টিপাত অনুষ্ঠান প্ৰচাৰ কৰিব। আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰে আঁত ধৰিবলগীয়া এই অনুষ্ঠানত আকাশবাণী গুৱাহাটীৰ কামৰূপ মহানগৰ জিলাৰ সংবাদদাতা হেমন্ত কুমাৰ বৰা আৰু সাংবাদিক যদুমণি শইকীয়াই ষ্টুডিঅ'ত থাকি বিভিন্ন জিলাৰ কেইবাগৰাকীও সংবাদদাতাৰ পৰা নিৰ্বাচনৰ আলেখ-লেখ ল'ব। এই অনুষ্ঠান মহাবাহু শাখাৰ লগতে বাতৰি বিভাগৰ ফে'চবুক পেজ আৰু ইউটিউব চেনেল যোগেও প্ৰচাৰিত হ'ব।

00000

জিম্বাবুৱেৰ হাৰাৰেত অনুষ্ঠিত ১৯ বছৰ অনুৰ্ধ এদিনীয়া বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেলত ইংলেণ্ডৰ বিৰুদ্ধে ভাৰতৰ ৪১২ ৰানৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে। ভাৰতে টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈ ভাৰতে ৫০ অভাৰত ৯ টা উইকেট হেৰুৱাই ৪১১ ৰাণ সংগ্ৰহ কৰে।

00000

সমাপ্ত